সৰ্বোদয় মহাবিদ্যালয়
SARBODAYA COLLEGE
NAAC ACCREDITED INSTITUTE
DEPARTMENT OF POLITICAL SCIENCE

প্ৰতি,
শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া
ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী
নতুন দিল্লী

**বিষয়:- অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদানৰ যোগেদি বৃহত্তৰ অসমীয়া সমাজৰ সাংস্কৃতিক পৰিচয় সুদৃঢ়কৰণৰ দিশত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে কৃতজ্ঞতা জ্ঞাপন ।**

মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়া,
অসমৰ সাংস্কৃতিক ঐতিহ্য প্ৰসাৰ তথা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চত অসমীয়া সংস্কৃতিৰ অনন্য পৰিচয় উত্থাপনৰ দিশত আপোনাৰ গভীৰ দায়বদ্ধতা আৰু অসাধাৰণ অৱদানৰ বাবে আমি সমগ্ৰ অসমবাসীৰ হৈ আপোনালৈ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

১) ২০২২ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা আৰম্ভ কৰি ২০২৪ চনৰ অক্টোবৰ মাহৰ এই তিনি বছৰৰো কম সময়ত আপুনি বৃহত্তৰ অসমীয়া সমাজখনলৈ সাংস্কৃতিক পৰিচয় সুদৃঢ় কৰি তোলা চাৰিটাকৈ মহৎ কৃতিত্ব উপহাৰ স্বৰূপে আগবঢ়াইছে । সেইকেইটা হৈছে ২০২২ চনত লাচিত বৰফুকনৰ বীৰগাথাক ৰাষ্ট্ৰীয় পৰ্যায়ত বছৰজোৰা কাৰ্যসূচীৰে উদযাপন, ২০২৩ চনত বিহুনাচৰ দ্বাৰা বিশ্ব অভিলেখ সৃষ্টি তথা আন্তঃৰাষ্ট্ৰীয় মঞ্চত বিহুৰ প্ৰতিষ্ঠা, ২০২৪ চনত চৰাইদেউ মৈদামক উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ইউনেস্ক' বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি প্ৰদানৰ ব্যৱস্থা আৰু ২০২৪ চনত অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান। অসমীয়া সাংস্কৃতিক পৰিচয় ৰক্ষাৰ ক্ষেত্ৰত দিল্লীৰ কেন্দ্ৰীয় নেতৃত্বই গ্ৰহণ কৰা সুদৃঢ় আৰু ধাৰাবাহিক প্ৰচেষ্টা অসমীয়া সমাজে পূৰ্বে কেতিয়াও দেখিবলৈ পোৱা নাছিল ।

২) প্ৰায় দুটা দশকৰ আগতে ভাৰত চৰকাৰে ২০০৪ চনৰ ১২ অক্টোবৰত ধ্ৰুপদী ভাষা হিচাপে ভাষাৰ এটা নতুন শ্ৰেণী ঘোষণা কৰাৰ সিদ্ধান্ত লৈছিল।তামিল ভাষাক ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰি সেই প্ৰচেষ্টাৰ সূচনা কৰা হৈছিল। পৰৱৰ্তী সময়ত সংস্কৃতক ২০০৫ চনত, ২০০৮ চনত তেলেগু,২০০৮ চনত কানাড়া, ২০১৩ চনত মালায়ালম আৰু ২০১৪ চনত উড়িয়াক ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰা হয়। ভাৰতৰ অন্যতম পুৰণি ভাষা অসমীয়া ধ্ৰুপদী ভাষাৰ সকলো আৱশ্যকীয় গুণৰ অধিকাৰী হোৱাৰ পাছতো সেই সময়ত এই ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যদা প্ৰদানৰ বাবে বিবেচনা কৰা নহ'ল।

৩)উল্লেখযোগ্য যে প্ৰচীনত্ব, ধাৰাবাহিকত্ব আৰু মৌলিকত্ব কালৰ পৰা ধ্ৰুপদী ভাষাৰ মৰ্যদা পাবলৈ অসমীয়া ভাষাৰ সকলো যোগ্যতা আছে। ঐতিহাসিক আৰু প্ৰত্নতাত্বিক সমলৰ পাৰ দেখিবলৈ

পোৱা যায় যে অসমীয়া ভাষা প্ৰায় ১৭০০ বছৰ পুৰণি। খ্ৰীষ্টীয় তৃতীয় বা চতুৰ্থ শতিকাৰ পৰাই এইভাষাৰ স্বাভাৱিক বিকাশ আৰম্ভ হৈছে। প্ৰচীন কামৰূপত এই ভাষাৰ স্বতন্ত্ৰীয়া উন্থানৰ প্ৰমান পোৱা যায় শিলালিপি, তাম্ৰলিপি আৰু হিউৱেন ছাঙৰ দৰে পৰিব্ৰাজকৰ টোকাৰ পৰা অসমীয়া ভাষাৰ নিজস্ব সাহিত্যিক সমলসমূহো মৌলিকভাৱে বিকশিত হোৱা। তদুপৰি ভিন্ন সংস্কৃতিৰ সংগমস্থলী অসমভূমিয়ে যুগ যুগ ধৰি অসমীয়া ভাষাৰ গভীৰতা আৰু বৈচিত্ৰ্য প্ৰদান কৰি আহিছে ।

৪) অসমীয়া ভাষাৰ এই বৈশিষ্ট গুনসমূহ অনুধবান কৰি আপুনি কেন্দ্ৰীয় কেবিনেটত ২০২৪ চনৰ ৩ অক্টোবৰত এই ভাষাক ধ্ৰুপদী মৰ্যদা দিয়াৰ যি ব্যৱস্থা কৰিলে আমি তাৰ শলাগ লৈছোঁ। ইয়াৰ দ্বাৰা অসমীয়া ভাষাৰ প্ৰতি আপোনাৰ গভীৰ শ্ৰদ্ধা আৰু অসমীয়া পৰম্পৰা তথা সংস্কৃতিৰ সুৰক্ষাৰ প্ৰতি আপোনাৰ গভীৰ দায়বদ্ধতা প্ৰতিফলিত হৈছে ।

**মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়া,**

৫) আপোনাৰ এই আদৰনীয় পদক্ষেপে আমাৰ সাংস্কৃতিক ভেটিটো টনকিয়াল কৰিছে আৰু আমাৰ ঐতিহ্যৰ গৌৰৱ বৃদ্ধি কৰিছে। ৰাজ্যখনৰ সাংস্কৃতিক পৰম্পৰাক নতুন উচ্চতালৈ উন্নীত কৰা আপোনাৰ দূৰদৰ্শী নেতৃত্বৰ অসমৰ ৰাইজ আজি সঁচা অৰ্থত আপোনাৰ প্ৰতি কৃতজ্ঞ ।

৬) পুনৰাই এবাৰ কৃতজ্ঞতা প্ৰকাশেৰে আমি দোহাৰিব খোজো যে সাংস্কৃতিকভাৱে উজ্জীৱিত আৰু এখন সমৃদ্ধিশালী ভাৰতবৰ্ষ গঢ়াৰ ক্ষেত্ৰত আপুনি যি মহৎ কৰ্মযজ্ঞত ব্ৰতী হৈছে আপোনাৰ সেই মহৎ প্ৰচেষ্টাৰ আমিও একোজন সমৰ্থক আৰু গুনগ্ৰাহী ।

ইতি

আপোনাৰ বিশ্বাসী


ৰঞ্জু শইকীয়া
মুখ্য অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ
H.O.D.
Department of Political Science
Sarbodaya College, Jorhat, Assam
Date..12-11-2024